# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

--------------------

এজন ভাৰতীয় উদ্যোগপতি আৰু তেওঁৰ সংস্থাৰ বিৰুদ্ধে উৎকোচৰ অভিযোগ, মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি আৰু ৱাক্‌ফ সংশোধনী বিধেয়কক লৈ সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশৰ বাবে আজি আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত উভয় সদনৰে কাম-কাজ স্থগিত ৰাখিবলগীয়া হয়। ৰাজ্যসভাত আজি সদনৰ পূৰ্ববৰ্তী অধিৱেশনৰ পাছৰ সময়ছোৱাত মৃত্যু হোৱা ছগৰাকী প্ৰাক্তন সাংসদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পাছতেই বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই এগৰাকী উদ্যোগপতিৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগৰ বিষয়টো উত্থাপনৰ চেষ্টা কৰে। কংগ্ৰেছ, ডি এম কে, আৰ জে ডি, সমাজবাদী পাৰ্টি, আম আদমী পাৰ্টি আৰু বাওঁপন্থী দলৰ সদস্যসকলেও তেওঁৰ সমৰ্থনত ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু বিশেষ উদ্যোগপতি গৰাকী সন্দৰ্ভত সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুমতি দিয়াৰ দাবী জনায়। সভাপতি জগদীপ ধনখড়ে উত্তেজিত সদস্যসকলক ক্ষান্ত কৰিবলৈ বাৰম্বাৰ অনুৰোধৰ প্ৰতি বিৰোধী সদস্যসকলে কৰ্ণপাত নকৰাত সভাপতিয়ে সদনৰ কাম-কাজ স্থগিত ৰাখে। ইয়াৰ পাছত দিনৰ ১১ বাজি ৪৫ মিনিটত সদন পুনৰ মিলিত হোৱাৰ সময়তো বিৰোধী পক্ষৰ সদস্যসকল তেওঁলোকৰ দাবীত অটল থকাত সভাপতিয়ে দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

লোকসভাতো আজি নিম্ন সদনৰ দুগৰাকী বৰ্তমানৰ সদস্য বসন্ত ৰাও চবন আৰু শ্বেখ নুৰুল ইছলামৰ বিয়োগত শ্ৰদ্ধা নিবেদনৰ পাছতে বিৰোধী সদস্যসকলে প্ৰায় একেকেইটা বিষয় লৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনোৱাত সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। অধ্যক্ষ ওম বিৰলাই প্ৰথমে সদনৰ কাম-কাজ ১২ বজালৈ আৰু পাছত দিনটোৰ বাবে স্থগিত ৰাখে।

00000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্যক সৌজন্যমূলক সাক্ষাত কৰি ৰাজ্যখন উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত শ্ৰী আচাৰ্য্যৰ সৈতে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিভিন্ন স্তৰৰ জনসাধাৰণৰ কল্যাণৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনি সমূহ সন্দৰ্ভত ৰাজ্যপাল গৰাকীক অৱগত কৰে। তেওঁ লগতে এনেধৰণৰ সকলো উন্নয়নমূলক কাম-কাজৰ পৰিকল্পনা সম্পৰ্কে ৰাজ্যপাল গৰাকীক জানিবলৈ দিয়ে।

0000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কাইলৈৰ পৰা অহা ২৯ নৱেম্বৰলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। কাজিৰঙাৰ লগতে ৰাজ্যখনৰ পৰ্যটনৰ উৎকৰ্ষ সাধনৰ বাবে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে অসম পৰ্যটনৰ সহযোগত এই মেলাৰ আয়োজন কৰিছে। এই পৰ্যটন মেলাত বিভিন্ন দেশৰ ২০ গৰাকী প্ৰতিনিধিৰ লগতে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ ১৮০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। বিদেশী অতিথিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, হাতীখুলি চাহ বাগিচা আৰু কাজিৰঙা জাতীয় অৰ্কিড উদ্যান দৰ্শন কৰিব। উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে পৰ্যটন মেলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

0000000

ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি শিৱসাগৰৰ জয়সাগৰত অৱস্থিত **অৰ্জুন** ভোগেশ্বৰ বৰুৱাৰ বাসগৃহত উপস্থিত হৈ বৰ্ষীয়ান ক্ৰীড়াবিদজনৰ সৈতে মত বিনিময় কৰে। ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে প্ৰাক্তন এথলিটগৰাকীৰ সৈতে ৰাজ্যখনৰ ক্ৰীড়াৰ উন্নয়নৰ বিষয়েও আলোচনাত মিলিত হয়। এই সৌজন্যমূলক সাক্ষাতৰ সময়ত ১৯৬৬ বেংকক এছিয়ান গেমছত সোণৰ পদকজয়ী বৰুৱাক ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। শিৱসাগৰত অহা ২৮ আৰু ২৯ ডিচেম্বৰত হ'বলগীয়া সদৌ অসম ৰছী টনা প্ৰতিযোগিতাৰ বাবে প্ৰাক্তন খেলুৱৈগৰাকীক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ক্ৰীড়া মন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়। প্ৰবীন খেলুৱৈগৰাকীয়ে ৰাজ্য চৰকাৰে লোৱা এই পদক্ষেপত যথেষ্ট সুখী বুলি মন্তব্য কৰে। ৰাজ্য চৰকাৰে ক্ৰীড়াক্ষেত্ৰত আন্তঃগাঁথনি উন্নত কৰিলে সুদক্ষ খেলুৱৈ সৃষ্টি কৰিব পৰা যাব বুলি শ্ৰীবৰুৱাই পৰামৰ্শ আগবঢ়ায়।

০০০০০০০০

নগাওঁ জিলাৰ ৰূপহীহাট থানাৰ অন্তৰ্গত গড়াজানত যোৱা ২২ নৱেম্বৰৰ নিশা ৪ জন লোকক হত্যাৰ ঘটনা সন্দৰ্ভত গঠন কৰা বিশেষ তদন্তকাৰী গোটে তদন্ত আৰম্ভ কৰিছে। অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমীত সিঙৰ নিৰ্দেশ অনুযায়ী জিলাখনৰ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই গঠন কৰা বিশেষ তদন্তকাৰী গোটে আজি এই সম্পৰ্কত ঘটনাস্থলী পৰিদৰ্শন কৰি প্ৰয়োজনীয় তথ্য-প্ৰমাণ সংগ্ৰহ কৰে। উল্লেখযোগ্য যে যোৱা ২২ নৱেম্বৰৰ নিশা গড়াজানৰ গুণধৰ চৰকাৰ নামৰ লোকজনৰ বাসগৃহত চাৰিজন লোকক দুৰ্বৃত্তই হত্যা কৰিছিল। ইতিমধ্যে আৰক্ষী আৰু অপৰাধ অনুসন্ধান শাখাৰ দলে সুকীয়াকৈ এই ঘটনাৰ তদন্ত চলাই আছে।

০০০০০০০০

কটন বিশ্ববিদ্যালয় গৱেষক সংস্থাই অসম মহাবিদ্যালয় প্ৰাদেশীকৃত কৰ্মচাৰী নিয়মাৱলী ২০২৪ৰ খচৰা বাতিল কৰিবলৈ শিক্ষা বিভাগক দাবী জনাইছে। কটন বিশ্ববিদ্যালয়ৰ এলামনাই ভৱনত আজি অনুষ্ঠিত এখন সংবাদমেলত সংস্থাৰ নেতৃবৃন্দই কয়, যে বৰ্তমানৰ খচৰাখনে গৱেষকসকলৰ পৰিশ্ৰমক অমান্য কৰিছে। গৱেষকসকলক পুনৰ বিষয় বৰ্হিঃভূত পৰীক্ষাত বহিবলৈ দিয়াটো অন্যায় বুলি সংস্থাটোৱে মন্তব্য কৰে। খচৰাখনে ৰাষ্ট্ৰীয় শিক্ষা নীতিক উপেক্ষা কৰি বুলিও সংস্থাটোৱে অসন্তুষ্টি প্ৰকাশ কৰে। উল্লেখযোগ্য যে উচ্চ শিক্ষা বিভাগে অলপতে প্ৰকাশ কৰা এই নিয়মাৱলী অনুযায়ী মহাবিদ্যালয়ৰ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়-বিষয়ক জ্ঞানৰ পৰিৱৰ্তে সাধাৰণ জ্ঞানৰ পৰীক্ষাৰ ভিত্তিত মহাবিদ্যালয়ত নিযুক্তি দিয়াৰ নতুন নিয়ম প্ৰস্তাৱ কৰিছিল।

০০০০০০০০

**সমাপ্ত**